# অসম আদিত্য

...হিন, ১৯৪৭ শক ■ শুকুৰবাৰ, ২৬ ছেপ্টেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, September 26, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱা...

...সদস্যাসকলৰ উপৰি সাংস্কৃতিক মহাসভা অসম ডিব্ৰুগড় সদৰ আঞ্চলিক সমিতি, অসম শিল্পী কানন সন্থা, অৰুণোদয় উন্নয়ন সমিতি আদি সংগঠনৰ বিষয়ববীয়াসকলে প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তাৰ পিছতেই ভীম বাহাদুৰ চেত্ৰীৰ সভাপতিত্বত এখনি শোকসভা অনুষ্ঠিত হয়। সভাত সৰ্বসন্মতিক্ৰমে এটি শোক প্ৰস্তাৱ গ্ৰহণ কৰি ১ মিনিট সময় মৌন ব্ৰত পালনেৰে মৃতকৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়।

## সকলোৰে জীৱনত প্ৰভাৱ বিস্তাৰ কৰে লিপিড মলিকুলাৰে ঃ ভাস্বতী গগৈ



ষ্টাফ ৰিপৰ্টাৰ, ২৫ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত ২৪ ছেপ্টেম্বৰৰ পৰা দুদিনীয়া বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। 'লিপিড' শীৰ্ষক বিষয়ত অনুষ্ঠিত বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ভাস্বতী গগৈ। তেওঁ ভাষণ প্ৰসংগত লিপিড বায়মলিকুলছৰ সংজ্ঞা, গুণাগুণ, বৈশিষ্ট্য আৰু বিভিন্ন প্ৰয়োগৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰে। লগতে তেখেতে মন্তব্য কৰে যে 'বৰ্তমান সময়ত পৰিৱৰ্তিত জীৱনশৈলীত প্ৰায় প্ৰতিজন ব্যক্তিৰ জীৱনত লিপিড মলিকুলাৰে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে প্ৰভাৱ বিস্তাৰ কৰে। সেয়েহে প্ৰতিজন ব্যক্তিয়ে এই ক্ষেত্ৰত তথ্য ভিত্তিক জ্ঞানৰ জৰিয়তে নিজৰ জীৱন সুন্দৰভাৱে উদ্‌যাপন কৰিব পাৰিব। জৈৱ প্ৰযুক্তিবিদ্যা বিভাগৰ মুৰব্বী অতনু কোঁৱৰে আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড০ শইকীয়াই মহাবিদ্যালয়ৰ শৈক্ষিক ক্ষেত্ৰখনত নতুনকৈ সংযোজিত হোৱা জৈৱ প্ৰযুক্তিবিদ্যা বিভাগটোৰ উক্ত প্ৰচেষ্টাক শলাগ লয়। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত অ'এন জিচিৰ ডেপুটি জেনেৰেল মেনেজাৰ ৰাতুল গগৈ, অধ্যাপক সঞ্জীৱ সন্দিকৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## লুইত কণ্ঠৰ স্মৃতিত উৰণীয়া সেতু... নামকৰণৰ দা...

ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ অস... হিয়াৰ আমঠু, গীতৰ সম্ৰাট জুবিন... পৰলোকপ্ৰাপ্তিৰ খবৰটোৱে সমগ্ৰ... লগতে ভাৰতবৰ্ষকো জোকাৰি... জুবিন গাৰ্গৰ অকাল মৃত্যুত শোক... আৰু শ্ৰদ্ধাঞ্জলি দিয়াৰ উদ্দেশ্যে... অসম গৰীয়া জাতীয় পৰিষদৰ ... জিলা সমিতিৰ উদ্যোগত তথ... আঞ্চলিক সমিতিৰ সহযোগত মহ... হিয়াৰ আমঠু এই শিল্পীজনাৰ উদ্দে...